**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন কৰিব। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল তাঁতৰ বিহু। অসমীয়া জনজীৱনৰ আদৰৰ সম্পদ তাঁতশালৰ গুৰুত্বক অনুধাৱনেৰে ৰঙালী বিহুৰ চতুৰ্থ দিনা তাঁতৰ বিহু পালন কৰি অহা হৈছে। কাইলৈ নাঙল বিহু, পৰহিলৈ জীয়ৰী বা চেনেহী বিহু আৰু সোমবাৰে চেৰাবিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য আছে। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা মঞ্চ বিহু অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে।

লতাশিল বিহু সন্মিলনী ২০২৬ৰ কালি ফলাফল ঘোষণা কৰা হয়। গোলাঘাটৰ কৃষ্ণা হাটীবৰুৱাই শ্ৰেষ্ঠ বিহু কুঁৱৰীৰ খিতাপ লাভ কৰে। ইপিনে লখিমপুৰৰ বৰষা বুঢ়াগোঁহায়ে বিহু ৰাণীৰ খিতাপ অৰ্জন কৰে।

০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন নিৰ্বাচনী চমকৰ সৃষ্টি কৰিছে। নিৰ্বাচনী প্ৰচাৰৰ বাবে অসম ৰাজ্যিক বিজেপিৰ ৫০ জনীয়া এটা দলে কালিৰে পৰা পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰ চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিমবংগৰ হেমতাবাদ আৰু বৈষ্ণৱ নগৰ বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কালি বাতাচি, হাঁসীমাৰা আৰু কোচবিহাৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা, ৰঞ্জিত কুমাৰ দাস, বিমল বৰা, ৰণোজ পেগু, ৰূপেশ গোৱালা, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যৰ লগতে কেইবাজনো বিধায়ক আৰু ৰাজ্যিক পৰ্যায়ৰ নেতাই নিৰ্বাচনী প্ৰচাৰৰ বাবে ইতিমধ্যে ৰাজ্যখনত বাহৰ পাতিছে। একেদৰে শাসকীয় দল তৃণমূল কংগ্ৰেছকে ধৰি অন্য বিৰোধী দলসমূহেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০

চলিত বৰ্ষৰ হজযাত্ৰা কাইলৈ আৰম্ভ হ'ব বুলি কালি উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে ঘোষণা কৰিছে। অসমসহ উত্তৰ পূৰ্বাঞ্চলত মুঠ দুহেজাৰ ৫৬৯ গৰাকী হজযাত্ৰীয়ে হজযাত্ৰাৰ বাবে ৰাওনা হ'ব। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা যাত্ৰী আছে। উত্তৰ-পূব হজ যাত্ৰী অভ্যৰ্থনাৰ

সভাপতি নেকিবুৰ জামানে গুৱাহাটীত আয়োজিত এখন সংবাদমেলত কয় যে ১৮ এপ্রিলৰ পৰা ২১ এপ্রিললৈকে পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকল গুৱাহাটী বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। হজযাত্ৰীসকলৰ মংগলৰ বাবে আজি সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ২১ এপ্রিলৰ পাছত ঘোষণা কৰা হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি এখন জাননী যোগে প্ৰকাশ কৰিছে। আজি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰচাৰ হোৱা বাতৰি ভুৱা বুলি স্পষ্টীকৰণ দি শিক্ষা পৰিষদে এই জাননী জাৰি কৰিছে। লগতে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকক উৰা বাতৰিত ভোল নাযাবলৈ আহ্বান জনাই ফলাফল ঘোষণাৰ সঠিক দিন আৰু সময় পৰৱৰ্তী সময়ত জনোৱা হ'ব বুলি জাননী যোগে শিক্ষা পৰিষদে প্ৰকাশ কৰিছে। একেখন জাননীতে কেৱল চৰকাৰী ৱেবচাইটৰ তথ্যৰ ওপৰতহে বিশ্বাস ৰাখিবলৈ আহ্বান জনাইছে।

০০০০০০

কংগ্ৰেছ নেতা তথা দলটোৰ প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেড়াৰ আগতীয়া জামিন মঞ্জুৰ কৰি তেলেংগানা উচ্চ ন্যায়ালয়ে দিয়া ৰায়ত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছে। সৰ্বোচ্চ ন্যায়ালয়খনে লগতে পৱন খেড়ালৈ উত্তৰ দিয়াৰ জাননী জাৰি কৰিছে। যোৱা ১০ এপ্রিলত তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াৰ আবেদন মঞ্জুৰ কৰি দিয়া ৰায়ক প্ৰত্যাহ্বান জনায় অসম চৰকাৰে দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ জে কে মহেশ্বৰী আৰু ন্যায়াধীশ অতুল এছ চান্দুকাৰৰ বিচাৰপীঠে এই স্থগিতাদেশ দিছে।

০০০০০০

বিহুৰ সমান্তৰালভাৱে বিভিন্ন জনগোষ্ঠীৰ বসন্তকালীন উৎসৱেও ৰাজ্য মুখৰ কৰি তুলিছে। তিৱা জনগোষ্ঠীৰ বসন্তকালীন উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু, বড়োসকলৰ বৈসাগু, শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলৰ বাঁহ গোসাঁই উৎসৱ ৰাজ্যৰ ঠায়ে ঠায়ে পালন কৰা হৈছে।

চিৰাং জিলাৰ কাজল গাঁৱৰ দাংতল ৰংজালী বৈসাগু উদযাপন সমিতিয়ে উলহ-মালহেৰে ৰংজালী বৈসাগু উৎসৱৰ আয়োজন কৰিছে। পৰম্পৰাগতভাৱে পালন কৰি অহা ৰংজালী বৈসাগুত কালি লাংডাং বৈসাগু অৰ্থাৎ মুকলি বিহু অনুষ্ঠিত হয়। এই বিহুত সকলোৱে পৰম্পৰাগত জাতিয় সাজ-পাৰ পৰিধান কৰি নাচ-গানত অংশ লয়।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে বাথৌ দেৱতাক প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা আদি বাদ্যৰে গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

টিংখঙৰ চহৰীকাটা গাঁৱত সোণোৱাল কছাৰীৰ লোকসকলে ঘৰে ঘৰে পৰম্পৰাগত হাইদাং হুঁচৰি পৰিৱেশন কৰে।

দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও পৰহিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক গীত, লোক নৃত্য পৰিৱেশন কৰে। সাদিনীয়া বিছু উৎসৱ পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

কাৰ্বি আংলং জিলাৰ উমছুৰাইৰ আমছুং পিনুঙত অহা ২২ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তিৱা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ লুখুমী য়াংলি অৰ্থাৎ লখিমী আদৰা উৎসৱ পালন কৰা হ'ব। প্ৰতি ৫ বছৰ মূৰে মূৰে এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱৰ বাবে ইতিমধ্যে গাঁওবাসীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অধীনৰ চেপন টিফুকত এখন মটৰ চাইকেলৰ খুন্দাত এজন চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। এই দূৰ্ঘটনাত আন ৩ জন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ চমজি লোৱাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে যদিও এই পৰ্যন্ত মৃতকৰ পৰিচয় জানিব পৰা হোৱা নাই।

০০০০০০

**সমাপ্ত**